समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

অৰ্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা

পাঠ - ২৫

প্ৰান্তীয় গোট আৰু গণতান্ত্ৰিক অধিকাৰ

অংশ – ২

দৰ্শনা তালুকদাৰ

অনুশীলনী

১। চমু উত্তৰ লিখা —

(ক) প্রান্তীয় গোট কাক বোলে?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ আর্থিক, সামাজিক আৰু শৈক্ষিক অনগ্রসৰতাত ভোগা লোকসকলক প্রান্তীয় গোট বুলি কোৱা হয়।



(খ) অসমৰ চাহখেতিৰ বাবে ব্ৰিটিছসকলে ক'ৰপৰা বনুৱা আমদানি কৰিছিল?



উত্তৰঃ ভাৰতৰ মধ্যভাগৰ পৰা বৃটিছসকলে বনুৱা আমদানি কৰিছিল।



(গ) কোনখন আইনমতে প্রাথমিক শিক্ষা বাধ্যতামূলক কৰা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ মতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হয়।



(ঘ) বৃহৎ নদীবান্ধৰপৰা কি অপকাৰ হ'ব পাৰে?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নদী বান্ধৰ বাবে বান্ধৰ ওপৰৰ অংশত পানী জমা কৰি ৰাখিবলৈ এক বিস্তৃত এলেকাৰ প্ৰয়োজন হয়। ফলত বান্ধ নিৰ্মাণ কাৰ্যকৰী হোৱাৰ বাবে সেই অঞ্চলত বসবাস কৰা লোকসকলে নিজ ঠাই এৰি যাব লগাত পৰে। আনহাতে বান্ধৰ নামনি অংশত বাস কৰা লোক সকলো নানা অসুবিধাৰ সন্মুখীন হয়। নদীৰ পানীভাগক ওপৰ অংশত আৱদ্ধ কৰি ৰখা বাবে তলৰ কৃষিজীৱী লোকসকলে কৃষিৰ বাবে প্ৰয়োজনীয় পানী নাপায়। নৈৰ পানী তৰাং হোৱাৰ লগে লগে তাত থকা মাছ-পুঠি, বিভিন্ন জলচৰ প্ৰাণীসমূহৰৰ বিলুপ্তি ঘটে। নৈপৰীয়া মাছমৰীয়া লোকসকলৰ জীৱিকাত বাধা আহি পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জলপথেৰে আহা-যোৱা কৰা লোকসকলৰ যাতায়াতত বিজুতি ঘটে। মুঠৰ ওপৰত সেই অঞ্চলৰ পাৰিপাৰ্শ্বিক ভাৰসাম্যতা বহুগুণে হ্ৰাস পায়। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত সেই অঞ্চল মানুহৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। উত্তৰ লিখা —

(ক) কি কি কাৰণত প্ৰান্তীয় গোটৰ সৃষ্টি হ'ব পাৰে? তেওঁলোকৰ প্ৰধান সমস্যাসমূহ কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অৰ্থনৈতিক বিকাশ, নগৰীকৰণ আৰু আধুনিকীকৰণৰ স্বাৰ্থত সমাজৰ বহু লোকে নিজৰ স্থায়ী ভেটি এৰি আন ঠাইলৈ যাবলৈ বাধ্য হোৱাৰ ফলত সেইসকল লোক প্ৰান্তীয় গোট হিচাপে পৰিগণিত হয়। চাহ উদ্যোগ, বৃহৎ নদীবান্ধ, প্ৰাকৃতিক দুৰ্যোগ, বানপানী, গৰাখহনীয়া, ভূমিকম্প আদিৰ বাবেও বহুলোক প্ৰান্তীয় গোটলৈ ৰূপান্তৰিত হ'ব পাৰে।

ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশ, নগৰীকৰণ আদি প্ৰক্ৰিয়াৰ ফলস্বৰূপে প্ৰান্তীয় লোকসকলে নিজৰ স্থায়ী ভেটি এৰিবলৈ বাধ্য হৈ পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

পূৰ্বৰে পৰা আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত অনগ্ৰসৰ এই মানুহখিনিয়ে নিজৰ অধিকাৰ হেৰুৱাই দিশহাৰা হৈ পৰে আৰু সমাজৰ কোনো দূৰ প্ৰান্তলৈ গুচি যায়। লাহে লাহে তেওঁলোকৰ জীৱন-জীৱিকাত আউল লাগে। সংস্থাপনহীন হৈ অ'ত-ত'ত সিঁচৰতি হৈ পৰা মানুহখিনি সমাজৰ মূল অংশৰ পৰা বিচ্ছিন্ন হৈ পৰে।

(খ) জনজাতি আৰু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সংবিধানে কি কি বিশেষ সুবিধা প্ৰদান কৰিছে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ জনজাতি আৰু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সংবিধানে প্ৰদান কৰা প্ৰধান সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল -

(i) বিভিন্ন জনজাতিসকলৰ শৈক্ষিক বিকাশৰ বাবে শিক্ষানুষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠানসমূহত আসন সংৰক্ষণ কৰা হৈছে।

(ii) জনজাতি আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষাৰ বাবে বিশেষ জলপানিৰ সুবিধা প্ৰদান কৰা হৈছে।

(iii) অসমৰ চাহ জনগোষ্ঠীসকলৰ সুৰক্ষাৰ বাবে 'অসম চাহ শ্ৰমিক কল্যাণ পৰিষদ' আছে।

(iv) জনজাতি লোকসকলৰ বাবে ভূমি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(v) অস্পৃশ্যতা বর্জন আইনৰ অধীনত সমাজৰ সকলো শ্রেণীৰ লোকৰ মাজত মিলামিছাৰ সুবিধা প্রদান কৰা হৈছে।

(vi) সংখ্যালঘু লোকসকলৰ ভাষা-সংস্কৃতিৰ প্রতি গুৰুত্ব প্রদান কৰি সংবিধানে তাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে।

(vii) শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ অধীনত সমাজৰ কোনো ল'ৰা-ছোৱালী প্রাথমিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব নোৱাৰাটো নিশ্চিত কৰিছে।

(গ) পার্বত্য অঞ্চলৰ জনজাতিসকলৰ বাবে কেনেধৰণৰ স্বায়ত্বশাসন আছে? দুখনৰ নাম লিখা।



উত্তৰঃ জনজাতিসকলৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে স্বায়ত্ব শাসন দ্বাৰা ব্যৱস্থা গ্ৰহণ কৰা কৰিছে। অসমৰ পাৰ্বত্য জনজাতি কাৰ্বিসকলৰ বাবে কাৰ্বি আংলং জিলা পৰিষদ আৰু ডিমাহাছাওসকলৰ বাবে উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদ গঠন কৰা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। খালী ঠাই পূৰ কৰা —

(ক) সংবিধানৰ দৃষ্টিত আমি সকলোৱে এক ভাৰতীয় ।

(খ) অসমৰ মাটি চাহ খেতিৰ বাবে উপযোগী।

(গ) দেশৰ বিকাশত ভাগ ল'বলৈ প্ৰতিজন নাগৰিকেই দায়বদ্ধ ।

(ঘ) সংখ্যালঘু লোকসকলৰ ভাষা-সংস্কৃতি ক গুৰুত্ব প্ৰদান কৰি সংবিধানে তাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে।

(ঙ) মানুহে শস্যও উৎপাদন কৰিব নোৱাৰে মাছ উৎপাদন কৰিব নোৱাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। শুদ্ধ অশুদ্ধ বাছি উলিওৱা —

(ক) অন্য প্ৰান্তৰপৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্ব কৰিম। ✓

(খ) বেলেগ বেলেগ ৰীতি-নীতিৰে চলা মানুহক অৱহেলা কৰিম। ✗

(গ) দেশৰ সকলোৰে মংগলৰ বাবে চৰকাৰৰ লগত সহযোগিতা কৰিম। ✓

(ঘ) আমি আন ব্যক্তিক শ্রদ্ধা, মৰম, সম্মান জনালেহে আমিও স্নেহ পাম। ✓

(ঙ) প্রাকৃতিক দুর্যোগ হ'লে আমি পৰস্পৰে পৰস্পৰক সহায় নকৰো। ✗

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰকল্প —

তোমালোকৰ অঞ্চলত কোনো প্ৰান্তীয় গোট আছে নেকি আৰু তেওঁলোকৰ অধিকাৰবোৰ ভংগ হৈছে নেকি- তাৰ ওপৰত এটা প্ৰতিবেদন যুগুত কৰা।